## লাগ্নিআপ্পে

পৃথিৱীয়েই হ'ল এখন সৰ্ববৃহৎ অলিখিত মুক্ত গ্ৰন্থ। আমাৰ চাৰিওফালে পৰিবেষ্টিত প্ৰাকৃতিক আৰু সামাজিক পৰিৱেশত অলেখ জনা-নজনা তথ্য থূপ খাই আছে। সামান্য পৰ্যবেক্ষণ আৰু বিশ্লেষণৰ যোগেদি আমাৰ চাৰিওফালে থকা এই গুৰুত্বপূৰ্ণ তথ্যসমূহ আহৰণ কৰি উপকৃত হ'ব পাৰোঁ। দক্ষিণ আমেৰিকাৰ লুজিয়ানাৰ তেনে এটা সামাজিক প্ৰথা লাগ্নিআপ্পেৰ বিষয়ে আজি অৱগত কৰাব খুজিছোঁ। এই প্ৰথা আজিৰ কৰ্পৰেট জগতত খুব চৰ্চিত আৰু নেতৃত্ব বিকাশ আঁচনিৰ (Leadership development programme) পাঠ্যক্ৰমতো অন্তৰ্ভুক্ত হৈছে। লুজিয়ানাত দূৰ দূৰণিৰ পৰা অহা বেপাৰীসকলে গ্ৰাহকক আকৰ্ষিত কৰিবলৈ এপদ-দুপদ বস্তু অতিৰিক্তকৈ দিয়ে। গ্ৰাহকসকলেও বেপাৰীসকলক উৎসাহিত কৰিবলৈ এপইচা-দুপইচা বেছিকৈ পৰিশোধ কৰে। লুজিয়ানাৰ এই বিশেষ সামাজিক প্ৰথাটোকে লাগ্নিআপ্পে বুলি কোৱা হয়। লাগ্নিআপ্পে এটা ফৰাছী শব্দ। ১৮৮৩ চনত মাৰ্ক টোৱেইনে তেখেতৰ 'লাইফ ইন মিছিছিপি' নামৰ গ্ৰন্থখনৰ নিউ অৰ্লিনছ অধ্যায়ত সামাজিক জীৱন ব্যৱস্থাত লাগ্নিআপ্পেৰ তাৎপৰ্যৰ বিষয়ে মূল্যায়ন কৰিছিল।

সচৰাচৰ আমাৰ ইয়াতো শাক-পাচলিৰ বজাৰলৈ গ'লে বেছিভাগ গ্ৰাহকেই বেপাৰীবোৰক কেইটামান জলকীয়া, অলপমান ধনিয়া লগাই দিবলৈ কোৱা দেখা যায়। কিন্তু দূৰ-দূৰণিৰ গাঁৱৰ পৰা অহা দুখীয়া বেপাৰীসকলক গ্ৰাহকে কৃতজ্ঞতা জনাই এপইচা-দুপইচা বেছিকৈ দি উৎসাহিত কৰা খুব কমেই পৰিলক্ষিত হয়। এনেধৰণৰ আকস্মিক সঁহাৰিয়ে আৰ্তজনৰ প্ৰয়োজনত অভাৱনীয় সকাহ যোগাব পাৰে। সাম্প্ৰতিক পৃথিৱীৰ ভয়াবহ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আমি সামাজিক দায়বদ্ধতা পালন কৰি ভেদাভেদ পাহৰি ইজনে-সিজনৰ সাৰথি হোৱাৰ সময় আহি পৰিছে। প্ৰতিৱেশী আৰ্তজনক অকলশৰীয়া অনুভৱ হ'বলৈ নিদি সামৰ্থ্য অনুযায়ী অকণমান আন্তৰিক সঁহাৰি জনোৱাটো অতিকে জৰুৰী হৈ পৰিছে। গতিকে আহক আমিও লাগ্নিআপ্পে কৰোঁ।

**চুমিন্দ্ৰ চৌধুৰী,**
Elite Homz, Sector 77, Noida,
UP-201307, Ph. : 7896047005

## টৌ-খুঁটি

টৌ-খুঁটি মাৰি ৰন্ধা-বঢ়া কৰি ভাত খোৱা আলহী আজিকালি প্ৰায় নোহোৱাই হৈছে। আটাইতকৈ ডাঙৰ কথা হৈছে এই টৌ-খুঁটি মৰা প্ৰথাটোৰেই আধুনিক সমাজ ব্যৱস্থাত প্ৰায় বিলুপ্ত হৈ গৈছে। গ্ৰামাঞ্চলৰ কোনো কোনো ঠাইত হয়তো টৌ-খুঁটিৰ প্ৰথাটো থাকিব পাৰে, কিন্তু চহৰ অঞ্চলত যে এনে প্ৰথা বৰ্তমান নাই নিশ্চিত।

যাঠিৰ দশকত আমি সৰু হৈ থাকোঁতে আমাৰ ঘৰলৈ বৌটিৰ (মাৰ) খুৰাক অৰ্থাৎ আমাৰ খুৰা ককা অহা মনত আছে। আমাৰ মাজুলীৰ দেওদিয়াআটী গাঁৱৰ পৰা খুৰা ককা অৰ্থাৎ মামাহঁতৰ উজনি মাজুলীৰ লহকৰ গাঁৱলৈ (লহকৰ গাঁও বৰ্তমান ব্ৰহ্মপুত্ৰ নদীৰ খহনীয়াত ১৯৭৫ চনতে বিলীন হৈ গ'ল) প্ৰায় ১০-১২ কিল'মিটাৰ দূৰ আছিল। সেই সময়ত যাতায়াতৰ বাবে গাড়ী-মটৰৰ ব্যৱস্থা সুগম নাছিল। ককাই খোজ কাঢ়িয়েই অহা-যোৱা কৰিছিল। ককা আহি আমাৰ মাৰল ঘৰৰ বিশেষ কাঠৰ খুঁটাটোৰ কাষত পাৰি দিয়া তামুলী পীৰাখনত বহেহি। আমাৰ বৌটিয়ে লৰালৰি কৰি ঘটী এটাত পানী এঘটী আৰু গামোচা এখন আনি দিয়ে। মুখ-হাত ধুই আহি ককা পুনৰ পীৰাখনত বহেহি। আমি অৰ্থাৎ মই, ভাইটি আৰু ভণ্টিয়ে সেই সময়ত ককাৰ হাতলৈ-মুখলৈ চাই ৰৈ থাকোঁ। ককায়ো বুজি পাইছিল, আমি তেখেতৰ মুখলৈ চাই ৰৈ থকাৰ অৰ্থ। কিছু সময়ৰ পাছত ককাই হাঁহি হাঁহি আমাক ওচৰলৈ মাতি চোলাৰ জেপত ভৰাই লৈ অহা সৰু সৰু বিস্কুটৰ পেকেট আৰু জোনবাই আকৃতিৰ লোজেন গুটি উলিয়াই দিয়ে। আমি অতি আনন্দ মনেৰে সেই বিস্কুট আৰু লোজেন গুটি খোৱাৰ দিনবিলাকৰ কথা মানস পটত সজীৱ হৈ আছে।

সন্ধিয়াৰ আগে আগে আমাৰ বৌটিয়ে সৰু টৌ এটা গোবৰ মাটিৰে লিপি পিছফালৰ পিৰালিত শুকাবৰ বাবে থৈ দিয়ে। সন্ধিয়াৰ পাছত বৰঘৰৰ কাষৰ ভাতখোৱা মজিয়াখনৰ এটা চুকত, মাটিখিনি গোবৰ মাটিৰে মচি দিনৰ ভাগতে কাটি থোৱা কেঁচা আমগছৰ ডালৰ খুঁটি তিনিটা পুতি জুই জ্বলাবলৈ ওচৰতে শুকান খৰি এমুঠা থৈ দিয়ে। কাষতে হাত ধুবলৈ চৰিয়া এটা আৰু ঘটী এটা থৈ দিয়ে। ককাই গা-পা ধুই আহি বৌটিয়ে যোগাৰ কৰি থোৱা টৌ-খুঁটিত নিজৰ ভাত ৰান্ধি নিজেই খাইছিল। অৱশ্যে ককাই ৰন্ধা ভাত তেখেতে অকলে নাখাইছিল। আমি ককাই ৰন্ধা ভাত আৰু আঞ্জা খাবলৈ ৰৈ থাকোঁ। ককাই ৰন্ধা সেই আঞ্জা আৰু তৰকাৰিখিনি খাবলৈ কিমান যে সোৱাদ লাগিছিল। কেৱল ককায়েই নহয়, মোৰ মনত পৰাত সেই সময়ত আমাৰ বৌটিতকৈ জ্যেষ্ঠ, যেনে জেঠপেহা বা বৰদেউতাহঁত আহিলেও টৌ-খুঁটি মাৰি নিজেই ভাত ৰান্ধি খোৱা মনত আছে।

বৰ্তমান পৰিৱৰ্তনশীল সমাজ ব্যৱস্থাত জ্যেষ্ঠজনে কনিষ্ঠগৰাকীৰ হাতেৰে ৰন্ধা ভাত নোখোৱাৰ প্ৰথাটো হয়তো গ্ৰামাঞ্চলৰ কোনো কোনো ঠাইত থাকিব পাৰে, কিন্তু নগৰ বা চহৰ অঞ্চলত সেই প্ৰথা প্ৰায় নোহোৱা হ'ল। নগৰ বা চহৰত টাইলছ বা মাৰ্বল লগোৱা মজিয়াত টৌ-খুঁটি মাৰি ভাত ৰান্ধিবলৈ দিবই বা কেনেকৈ? বৰ্তমান মদুলাৰ কিচ্ছেন আৰু ডাইনিং টেবুলৰ যুগত সেই আওপুৰণি ৰীতি-নীতিবোৰ ৰাখিবইবা কেনেকৈ?

**বীৰেন্দ্ৰ কুমাৰ বৰা,**
নিকামুল চাৰিআলি, তেজপুৰ-৭৮৪০০১,
শোণিতপুৰ, ফোন ঃ ৯৪৩৫৭১১৯৮৮

## মৃতকৰ স্মৃতিসৌধ

প্ৰকৃতিত অন্য জীৱ-জন্তু, চৰাই-চিৰিকটি আদিৰ দৰে মানুহো এবিধ জীৱ। প্ৰকৃতিৰ চিৰাচৰিত নিয়ম অনুযায়ী এই জীৱকুলৰ জন্ম; আৰু নিৰ্দিষ্ট বয়স, ৰোগ, দুৰ্যোগ আদি বিভিন্ন কাৰণত এইবোৰৰ মৃত্যু ঘটে। ইতৰ প্ৰাণীসমূহ, চৰাই-চিৰিকটি আদি মৃত্যুৰ পাছত হয় আন জীৱ-জন্তু বা চৰায়ে ভক্ষণ কৰে নাইবা এইবোৰ বেক্টেৰিয়া আদি অণুজীৱৰ জৈৱিক ক্ৰিয়াকলাপৰ দ্বাৰা মাটিত বিলীন হয়। একেদৰে মানুহৰ মৃতদেহো ধৰ্মীয় ৰীতি অনুযায়ী কিছুমানে জ্বলাই, কিছুমানে মাটিত পুতি প্ৰকৃতিতে বিলীন নিয়ায়। মানুহ এজনৰ মৃত্যুৰ পাছত তেওঁৰ মৃতদেহ সংকাৰ কৰা স্থানডোখৰত পকী স্মৃতিসৌধ নিৰ্মাণৰ ঢং বা অঘোষিত প্ৰতিযোগিতা এটা লাহে লাহে অসমৰ গাঁও অঞ্চলবোৰৰ অৱস্থাপন্ন মানুহবোৰৰ মাজত দেখা পোৱা গৈছে। কিন্তু কোটি কোটি জনসংখ্যাৰ ভাৰেৰে ভাৰাক্ৰান্ত আমাৰ দৰে দেশত দিনে দিনে সংকুচিত হৈ অহা মাটিৰ পৰিমাণত পকী স্মৃতিসৌধ নিৰ্মাণৰ নামত ব্যৱহাৰিক মাটিৰ পৰিমাণ কমাই অনাটো কিমান যুক্তিযুক্ত কথা হ'ব? গতিকে ভৱিষ্যতৰ স্বাৰ্থত মৃতদেহ সংকাৰৰ বাবে শ্মশানৰ বহুল ব্যৱহাৰ হোৱাটো বাঞ্ছনীয়। লগতে যিসকলে নিজা ভূমিত মৃতদেহ সংকাৰৰ ব্যৱস্থা কৰে, তেওঁলোকেও অন্ততঃ পকী স্মৃতিসৌধ নিৰ্মাণৰ পৰা বিৰত থকা উচিত। মৃতকৰ প্ৰতি শ্ৰদ্ধা থকাটো স্বাভাৱিক বা প্ৰয়োজনীয়, কিন্তু এই শ্ৰদ্ধা অকল পকী স্মৃতিসৌধ নিৰ্মাণতে সীমাবদ্ধ ৰখাতকৈ মৃতকৰ স্মৃতি যুগমীয়া কৰিবলৈ অন্য সমাজহিতৈষী ব্যৱস্থা লোৱাটোহে বেছি প্ৰয়োজনীয় যেন অনুভৱ হয়।

**বিনোদ ভূঞা,**
অসয়বাৰী সোণাৰী গাঁও, ডাক ঃ চৌতাং-৭৮৫১০১,
ভায়া-বাহনা, ফোন ঃ ৯৯৫৪৫৫১৮০০